স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

...কাব্দ ☐ ২৯ ছেপ্টেম্বৰ ২০২৬ চন ☐ VOL-16 ☐ NO-205 ☐ TUESDAY 29 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUG...

কানৈ কলেজৰ ছাত্ৰাৱাসত বিশুদ্ধ খোৱাপানী প্ৰকল্প মুকলি

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসত জ্যোতি ললিতা কানৈ ফাউণ্ডেচনৰ উদ্যোগত স্থাপন কৰা এক বিশুদ্ধখোৱাপানীৰ বহুমুখী প্ৰকল্প ২৬ ছেপ্টেম্বৰৰ সন্ধ্যা মুকলি কৰা হয়। প্ৰকল্পটো মুকলি কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। প্ৰকল্পটো মুকলি কৰি অধ্যক্ষ ড° শইকীয়াই কয়— প্ৰায় সোতৰ বছৰ ধৰি জৰাজীৰ্ণ হৈ বিধ্বস্ত প্ৰায় অৱস্থাত থকা ছাত্ৰাৱাসটো ২০১৭ চনত মুকলি কৰা হয়। অধ্যক্ষ হিচাপে মহাবিদ্যালয়খনত যোগদান কৰিয়ে ছাত্ৰাৱাসটো মুকলি কৰাৰ সিদ্ধান্ত লৈছিল বুলি উল্লেখ কৰি তেওঁ কয়— মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাৰ পৰিয়ালৰ সহযোগত ছাত্ৰাৱাসটো উন্নত কৰাই আৱাসীৰ বাবে বসবাসৰ উপযোগী কৰি গঢ়ি তুলি ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস নামেৰে নামকৰণ কৰা হয়। বিধ্বস্তপ্ৰায়, জৰাজীৰ্ণ হৈ থকা ছাত্ৰাৱাসটো পুনৰ মুকলি কৰাৰ পিছত অনেক সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকা অৱস্থাত ইটোৰ পিছত সিটো সমস্যা সমাধান কৰিবলৈ পৰিচালনা সমিতিকে ধৰি মহাবিদ্যালয়খনৰ পৰিয়ালে চেষ্টা কৰি আহিছিল। দীৰ্ঘদিন ধৰি ছাত্ৰাৱাসৰ আৱাসীসকলে বিশুদ্ধখোৱাপানীৰ অভাৱ অনুভৱ কৰি অহাৰ পিছত ২৬ ছেপ্টেম্বৰত সেই দীৰ্ঘদিনীয়া সমস্যা সমাধান হয় বুলি কয়। প্ৰকল্পটো যোগান ধৰাৰ বাবে জ্যোতি ললিতা কানৈ ফাউণ্ডেচনৰ অন্যতম মধ্যমণি শিক্ষা শিৰোমণি জ্যোতিপ্ৰসাদ কানৈক অধ্যক্ষগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ফাউণ্ডেচনৰ সকলো কৰ্মকৰ্তাক কৃতজ্ঞতা জ্ঞাপন কৰে। অধ্যক্ষগৰাকীয়ে কেৱল ছাত্ৰাৱাসেই নহয়, মহাবিদ্যালয়খনৰ ছাত্ৰী নিৱাসৰ লগতে অন্যান্য সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ কানৈয়ে লোৱা ভূমিকাক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত জ্যোতিপ্ৰসাদ কানৈয়ে অধ্যক্ষৰ অনুৰোধ ৰক্ষা কৰি পানী যোগান প্ৰকল্পটো স্থাপন কৰা হয় বুলি উল্লেখ কৰি এই প্ৰকল্পটোৱে আৱাসীসকলৰ খোৱাপানীৰ সমস্যা আঁতৰ কৰিলে বুলি কয়। প্ৰকল্প মুকলি অনুষ্ঠানত কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়া, পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, বৰ্তমানৰ সদস্য অভিমন্যু বৰুৱা, পৰিচালনা সমিতিৰ সদস্য ড° গোপাল চন্দ্ৰ হাজৰিকা, ছাত্ৰাৱাসৰ অধীক্ষক অধ্যাপক ড° বিৰাজ দত্তকে প্ৰমুখ্য কৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰাৱাসৰ আৱাসীসকল উপস্থিত থাকে। ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস নামেৰে জনপ্ৰিয় হোৱা ছাত্ৰাৱাসত অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ উপৰিও বিহাৰ, ওড়িশা, অৰুণাচল প্ৰদেশ আদি বিভিন্ন ৰাজ্যৰ শিক্ষাৰ্থীও আছে। প্ৰকল্প উদ্বোধন কৰাৰ পিছত আৱাসীসকলে দীৰ্ঘদিনীয়া সমস্যা এটা সমাধান কৰাৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক ধন্যবাদ জ্ঞাপন কৰে।

ফুলপানীছিগা ৰাস মহোৎসৱৰ সমিতি গঠন

নিয়মীয়া বাৰ্তা, গৌৰীসাগৰ, ২৮ ছেপ্টেম্বৰ ঃ জাঁজীৰ ফুলপানীছিগা ৰাস মহোৎসৱে চলিত বছৰত ৯৭ বছৰত ভৰি দিলে। ১৯৩০ চনৰ পৰাই জাঁজী ফুলপানীছিগা আঞ্চলিক ৰাস মহোৎসৱ বৰনামঘৰ কলাকৃষ্টি কেন্দ্ৰত অনুষ্ঠিত কৰি আহিছে শ্ৰীশ্ৰী কৃষ্ণ ৰাস মহোৎসৱ। বিগত বৰ্ষৰ দৰে এইবছৰেও ৰাস মহোৎসৱ উদ্‌যাপন কৰাৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। আঞ্চলিক ৰাস মহোৎসৱ বৰনামঘৰ কলাকৃষ্টি কেন্দ্ৰত অনুষ্ঠিত ৰাজহুৱা সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, সুদক্ষ অভিনেতা গোবিন্দ শইকীয়াই। আঞ্চলিক ৰাস মহোৎসৱ বৰনামঘৰ কলাকৃষ্টি কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সম্পাদক পুষ্পধৰ নেওগে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সুৰেন দত্তক সভাপতি, কৰুণা মহন্ত, প্ৰণৱজ্যোতি দত্তক উপ-সভাপতি, নিতুল গগৈক সম্পাদক, দ্বীপেন বৰুৱা, দেৱজিৎ বৰা আৰু ৰাজীৱ নেওগক সহকাৰী সম্পাদক হিচাপে লৈ ৯৭সংখ্যক ৰাস মহোৎসৱ উদ্‌যাপন সমিতি গঠনৰ লগতে ২২-২৫ নৱেম্বৰলৈ ৰাস মহোৎসৱ অনুষ্ঠিত কৰিবৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে।